# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। অসমৰ নৱ-নিযুক্ত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ আজি শপতগ্ৰহণ।
২। গুৱাহাটীৰ লোকসেৱা ভৱনত কালিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে জিলা আয়ুক্ত সন্মিলন।
৩। ৩১ ডিচেম্বৰৰ আগেয়ে নতুন পঞ্চায়তে দায়িত্ব ল'ব পৰাকৈ ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ সমস্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পোষকতা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ।
৪। কোকৰাঝাৰত আজি ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ।

*আৰু*

৫। তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰত আজি শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

অসমৰ নৱ নিযুক্ত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে নৱনিযুক্ত ৰাজ্যপালগৰাকীক শপতবাক্য পাঠ কৰোৱাব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি দুপৰীয়া এই শপতগ্ৰহণ হ'ব। আজি শপতগ্ৰহণ কৰিবলগীয়া লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ লগতে মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। লক্ষ্মণপ্ৰসাদ আচাৰ্যই ছিকিমৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। আনহাতে ৰাজ্যৰ বৰ্তমানৰ ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াক পঞ্জাৱৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ প্ৰশাসক হিচাপেও নিযুক্তি দিয়া হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিভিন্ন ৰাজ্যৰ নতুন ৰাজ্যপালসকলক নিযুক্তি দিছে। এই নিৰ্দেশ অনুসৰি অসমৰ প্ৰাক্তন লোকসভা সাংসদ ৰমেন ডেকাক ছত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে অসমসহ ৯ খন ৰাজ্যৰ ৰাজ্যপাল নতুনকৈ নিযুক্তি তথা সালসলনি ঘটোৱা হৈছে।

০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গুৱাহাটীৰ লোকসেৱা ভৱনত কালিৰেপৰা দুদিনীয়াকৈ জিলা আয়ুক্ত সন্মিলন অনুষ্ঠিত হৈছে। অসম অতি সোনকালে শীৰ্ষস্থানৰ এখন ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। সন্মিলনৰ প্ৰথমদিনাৰ বৈঠকত কালি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ৰাজ্যত ভি আই পি সংস্কৃতি বন্ধ কৰাৰ বাবে জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে। তেওঁ কয় যে গুৱাহাটীৰ বাহিৰলৈ যোৱা সময়ত মুখ্যমন্ত্ৰীৰ কনভয়ত এতিয়াৰেপৰা ১০ খনতকৈ অধিক গাড়ী থাকিব নোৱাৰিব। ইপিনে, ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰী কোনো জিলালৈ ভ্ৰমণ কৰাৰ সময়ত তেওঁলোকৰ নিৰাপত্তাৰ বাবে বাঁহৰ বেৰিকেড দি জনসাধাৰণক হাৰাশাস্তি কৰাৰ পৰা বিৰত থাকি সুৰক্ষা ব্যৱস্থা অক্ষুণ্ণ ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

ৰাজ্যখনৰ উপ-জিলাৰ কাম-কাজসমূহ ২ অক্টোবৰত আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰিছে। এই অনুসৰি কামৰূপ জিলাত দুখন উপ-জিলা হ'ব। প্ৰথমে অস্থায়ী কাৰ্যালয়ৰ পৰাই উপ জিলাৰ কাম-কাজসমূহ চলিব। একে সময়তে স্থায়ী কাৰ্যালয়ৰ নিৰ্মাণকাৰ্যও চলি থাকিব। আনহাতে উপ-জিলা কাৰ্যালয়ৰ বাবে লোকনিৰ্মাণ বিভাগে প্ৰস্তুত কৰা নক্সা সংশিষ্ট জিলা উপায়ুক্তসকলক আজিৰ সন্মিলনতে দেখুৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। আনহাতে, উপ-জিলাৰ মহকুমাধিপতি সকলক ২ অক্টোবৰৰ পূৰ্বে প্ৰশিক্ষণ দিয়া হ'ব বুলি প্ৰকাশ কৰাৰ লগতে ১৫ আগষ্টৰ পূৰ্বে প্ৰয়োজনীয় সকলো আচবাববোৰ অস্থায়ী কাৰ্যালয়লৈ নিবলৈ ডঃ শৰ্মাই নিৰ্দেশ দিয়ে। তেওঁ লগতে আয়ুক্তসকলক সপ্তাহত এদিন ক্ষেত্ৰ পৰ্যবেক্ষণ আৰু জিলাখনৰ বিশিষ্ট ব্যক্তিসকলৰ ঘৰলৈ যাবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। আনহাতে, অতিৰিক্ত জিলা আয়ুক্তক সপ্তাহত দুদিন কাম-কাজ চোৱাচিতা কৰাৰ তেওঁ নিৰ্দেশ দিয়ে। একে সময়তে দৈনিক এক-তৃতীয়াংশ চৰকাৰী বিষয়াক জনসাধাৰণৰ মাজলৈ গৈ সমস্যাৰ বুজ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰতি ১৫ দিনৰ অন্তত অভিভাৱক মন্ত্ৰীৰ সৈতে আয়ুক্তক ভিডিঅ' কনফাৰেন্সযোগে কাম-কাজ সন্দৰ্ভত আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক আহ্বান জনায়। প্ৰয়োজনত অভিভাৱক মন্ত্ৰীক জিলা ভ্ৰমণৰ বাবে আয়ুক্তই দাবী কৰিব পাৰিব বুলিও এই সন্মিলনতে মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। একে সময়তে মুখ্যমন্ত্ৰীয়ে কয় যে ছেপ্তেম্বৰৰ ভিতৰত প্ৰতিখন জিলাত নতুন আঁচনি ৰূপায়ণ কৰিব লাগিব আৰু ৰূপায়িত নোহোৱা পুৰণা কামসমূহ সমাধানৰ চেষ্টা কৰা হ'ব।

এই সন্মিলনতে শেহতীয়া বানত ক্ষতিগ্ৰস্তসকলক ১২ আগষ্টত সাহায্য প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ক্ষতিগ্ৰস্তক গৃহ নিৰ্মাণৰ বাবে ১ লাখ ২০ হাজাৰ টকা দিয়া হ'ব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, সাহায্য প্ৰদানৰ ৭ দিন পূৰ্বে মঞ্জুৰি পত্ৰ বিতৰণ কৰা হ'ব।

জিলা আয়ুক্তৰ সন্মিলনখনতে মুখ্যমন্ত্ৰীয়ে চৰকাৰী কাৰ্যসূচীত কেৱল নিৰামিষ খাদ্য ব্যৱহাৰৰ নিৰ্দেশ দিয়ে। ৰাজ্যিক অতিথিৰ বাহিৰে কাকো কোনো চৰকাৰী বিভাগে আমিষ আহাৰেৰে আপ্যায়ন কৰাটোত বাধা আৰোপ কৰা হৈছে। এই সন্মিলনতে অহা মাহত লখিমপুৰত কেবিনেট বৈঠক হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চলিত বৰ্ষৰ ৩১ ডিচেম্বৰৰ আগেয়ে নতুন পঞ্চায়তে দায়িত্ব ল'ব পৰাকৈ ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ সমস্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পোষকতা কৰিছে। সেয়ে পঞ্চায়ত সীমা নিৰ্ধাৰণৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ কাম সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে কালি জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে। ইফালে কেবিনেট বৈঠক বা অন্য চৰকাৰী বৈঠকত দুপৰীয়া বা নিশাৰ সাঁজত সাধাৰণ নিৰামিষ আহাৰৰ ব্যৱস্থা কৰিবলৈও জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে। ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণত উপ-জিলা সৃষ্টি এক গুৰুত্বপূৰ্ণ নীতি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, অহা দুই অক্টোবৰৰ পৰা ৰাজ্যত উপ-জিলা কাৰ্যকৰী হ'ব। অহা ১২ আগষ্টত হিতাধিকাৰীসকলক পুনৰ সংস্থাপন অনুদান দি বি টি ব্যৱস্থাৰ জৰিয়তে প্ৰেৰণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। অৰুণোদয় আঁচনিৰ বিষয়ে ৰাইজক সজাগ কৰাৰ ব্যৱস্থা ল'বলৈ জিলা আয়ুক্তসকলক অনুৰোধ জনাই মুখ্যমন্ত্ৰীয়ে কয় যে, ৫ৰ পৰা ৭ শতাংশ লোকে অৰুণোদয়ৰ ধন লাভ কৰা নাই। ৰাজ্যত ভি আই পি সংস্কৃতিক উসাহিত কৰিব নালাগে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ৩১ ডিচেম্বৰৰ পূৰ্বে উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। এই সমষ্টিকেইটা হৈছে ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি। এই আটাইকেইটা সমষ্টিৰ বাবে ২০২১ চনত উপলব্ধ সমষ্টি পুনৰনিৰ্ধাৰণ পূৰ্বৰ ভোটাৰ তালিকাসমূহ উপ-নিৰ্বাচনৰ সময়লৈকে নবীকৰণ কৰি ব্যৱহাৰ কৰা হ'ব। আজি খচৰা ভোটাৰ তালিকা প্ৰকাশ পাব। অহা ১৯ আগষ্টলৈ দাবী আৰু আপত্তি নিস্পত্তিকৰণৰ ব্যৱস্থা কৰাৰ লগতে ২০ আগষ্টত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। উল্লেখ্য যে, অনলাইন যোগে কোনো প্ৰ-পত্ৰ দাখিল কৰা নহ'ব।

০০০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত বাঘৰ সংখ্যা বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় উদ্যানখনত কালি উদযাপিত আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱসৰ কাৰ্যসূচীত উদ্যোক্তাসকলে বাঘৰ সংখ্যা ৬০ লৈ বৃদ্ধি পাই বুলি জানিবলৈ দিয়ে। তেওঁলোকে জনোৱা অনুসৰি ২০১০ চনত মানাহত বাঘৰ সংখ্যা কেৱল দহটাহে আছিল। যোৱা বছৰটোত এই সংখ্যা ৪৮ৰ পৰা ৪৯ আছিল। বিগত ১৪ টা বছৰৰ ভিতৰত ৰাষ্ট্ৰীয় উদ্যানখনত বাঘৰ সংখ্যা ছগুণ বৃদ্ধি পোৱাটোৱে আশাৰ বতৰা কঢ়িয়াই আনিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰা ৰেঞ্জৰ কাৰ্যালয়ত কালি বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱসৰ কাৰ্যসূচীত বন্যপ্ৰাণী বিষয়ক চিত্ৰ প্ৰদৰ্শনী, শিক্ষাৰ্থীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা বাঘৰ সংৰক্ষণ আৰু বন্যপ্ৰাণীৰ সুৰক্ষা বিষয়ক সজাগতামূলক আলোচনাচক্ৰও অনুষ্ঠিত হয়।

আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱসৰ লগত সংগতি ৰাখি কালি কেন্দ্ৰীয় চৰকাৰৰ কেন্দ্ৰীয় বাঘ সংৰক্ষণ প্ৰাধিকৰণৰ উদ্যোগত দিল্লীত আয়োজিত অনুষ্ঠানত দেশৰ বিভিন্ন ৰাষ্ট্ৰীয় উদ্যানৰ লগতে কাজিৰঙাৰ ৪ গৰাকী বনকৰ্মীক সাহসিকতাৰ বাবে পুৰস্কৃত কৰা হয়। বনকৰ্মীকেইগৰাকী হৈছে - মিণ্টু দাস, দেৱজিৎ দলে, গগণ কাকতি আৰু সুনীল হাজৰিকা।

০০০০০০০০

শিক্ষা মন্ত্ৰালয়ে নতুন দিল্লীৰ মানেকশ্বা চেণ্টাৰৰ প্ৰেক্ষাগৃহত কালি সৰ্বভাৰতীয় শিক্ষা সমাগম ২০২৪ৰ জৰিয়তে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰূপায়ণৰ চতুৰ্থ বৰ্ষপূৰ্তি উদযাপন কৰে। এই কাৰ্যসূচীত শিক্ষা আৰু দক্ষতা বিকাশ তথা উদ্যোগীকৰণৰ ৰাজ্যিক মন্ত্ৰী জয়ন্ত চৌধুৰী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষা আৰু উন্নয়নৰ ৰাজ্যিক মন্ত্ৰী ডঃ সুকান্ত মজুমদাৰ উপস্থিত থাকে। মন্ত্ৰীসকলে শিক্ষামন্ত্ৰালয়ৰ এন ই পি ২০২০ সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপৰ শুভাৰম্ভ কৰে। ইয়াৰ ভিতৰত বিভিন্ন ভাৰতীয় ভাষা শিক্ষণৰ বাবে এটা নিবেদিত টি ভি চেনেল মুকলি কৰে। ইতিমধ্যে নিৰ্মিত ৫৪ টা ভাষাৰ অনুসৰণ কৰি ২৫ টা ভাৰতীয় ভাষাত শ্ৰেণী আৰম্ভ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। ইয়াৰ লগতে ৫০০ৰো অধিক জবকাৰ্ডৰ বিশাল পুথিভঁৰাল, ব্ৰেইল আৰু শ্ৰৱণ পুথিসমূহৰ ভিতৰত নেচনেল গাইডেনছ মিছন আৰু নেচনেল প্ৰফেচনেল ষ্টেণ্ডাৰ্ডছ ফ'ৰ টিচাৰ্ছ, নীতি আয়োগ আৰু এ আই এমৰ দ্বাৰা স্কুল ইনভেনচন মাৰাথন আৰু স্নাতক ডিগ্ৰীৰ বৈশিষ্ট আৰু পেছাদাৰী দক্ষতাৰ ওপৰত এখন কিতাপ অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০০

গোলাঘাট জিলাৰ এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত কালি গোলাঘাট জিলাৰ ছাত্ৰ সন্থাই জিলাখনৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা বিশেষ কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানত উপস্থিত থাকি আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষানীতিৰ ওপৰত বক্তব্য আগবঢ়ায়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ কেইবাশতাধিক ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা কাৰ্যসূচীত বিশিষ্ট সাংবাদিক মনোজ গোস্বামী, দিপেন দত্তৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য্য কাৰণবশতঃ অহা ২ আগষ্টৰ পৰা অনুষ্ঠিত হ'বলগীয়া পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী

নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ্-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০০০

কোকৰাঝাৰ জিলাত আজিৰে পৰা ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ হ'ব। সেই উপলক্ষে বড়োলেণ্ড স্বয়ত্ব শাসিত অঞ্চলত ফুটবল আন্তঃগাঁথনিৰ ব্যাপক উন্নীতকৰণ কৰা হৈছে। কোকৰাঝাৰ জিলাৰ ছাই ষ্টেডিয়ামত কালি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে হাইটেক স্মাৰ্ট স্প্ৰিংকলাৰ আৰু ইণ্টাৰনেল ড্ৰেনেজ ছিছ্টেমৰ সুবিধাযুক্ত নতুন খেলপথাৰখনৰ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত শ্ৰী বড়োৱে কয় যে, বিটিআৰৰ ক্ৰীড়া আন্তঃগাঁথনিৰ নতুন সংযোজনে আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ ক্ষেত্ৰত নিজৰ অপৰিসীম সম্ভাৱনা প্ৰদৰ্শন কৰিবলৈ অঞ্চলটোৰ ক্ৰীড়া প্ৰতিভাক সবলীকৰণ কৰি তুলিব। ইয়াৰ ফলত তেওঁলোকে বিশ্বৰ যিকোনো আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো দ্ৰুতভাৱে অভ্যস্ত হ'ব পাৰিব বুলি তেওঁ কয়। এই উদ্বোধনী অনুষ্ঠানত বিটিআৰৰ কাৰ্যবাহী সদস্য ডাওবৈছা বড়ো, বিধায়ক লৰেঞ্চ ইছলাৰীকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে কোৰঝাৰ জিলাত ছখন লীগ মেচ আৰু এখন কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০০

ভাৰত আজি শ্ৰীলংকাৰ বিৰুদ্ধে তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব।

ভাৰতে ইতিমধ্যে ২-০ ফলাফলেৰে শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

০০০০০০০

পেৰিছ অলিম্পিকত আজি ভাৰতৰ মনু ভাকেৰ আৰু সৰৱজিত সিঙে ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড টীম শিতানত ভাৰতৰ দ্বিতীয়টো পদকৰ বাবে খেলত অৱতীৰ্ণ হ'ব। দলটোৱে কালি ব্ৰঞ্জৰ পদকৰ বাবে ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে। যুটীটোৱে আজি ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত দক্ষিণ কোৰিয়াৰ অ'হ য়ে জিন আৰু লি ৱনহ'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

আৰ্চাৰীত আজি মুঠ ছগৰাকী ভাৰতীয় খেলুৱৈয়ে পুৰুষ আৰু মহিলা উভয় শিতানত ব্যক্তিগত শাখাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ব্যক্তিগত শাখাৰ প্ৰথম ৰাউণ্ডৰ এই খেলসমূহ ভাৰতীয় সময় অনুসৰি আজি বিয়লি ৫ বাজি ১৪ মিনিটত আৰম্ভ হ'ব।

ৰয়িঙৰ পুৰুষৰ ছিংগলছৰ স্কালছ শিতানত ভাৰতৰ বলৰাজ পানৱাৰে ছেমি ফাইনেলত স্থান নিশ্চিত কৰাৰ বাবে আজি চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা কৰিব।

ইপিনে, ভাৰতীয় পুৰুষ হকী দলে কালি পেৰিছ অলিম্পিকৰ পুল বিত আৰ্জেণ্টিনাৰ বিৰুদ্ধে খেলা খেলখন ১-১ গ'লত ড্ৰ হয়। খেলখনৰ প্ৰথমাৰ্ধত লুকাছ মাৰ্টিনেজে আৰ্জেণ্টিনাক অগ্ৰগতি প্ৰদান কৰে যদিও অন্তিম সময়ত ভাৰতৰ অধিনায়ক হৰমনপ্ৰীত সিঙে গ'লটো পৰিশোধ কৰে। ভাৰত পৰৱৰ্তী খেলখনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৪ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব।

ভাৰতে সম্প্ৰতি ছটা দলৰ পুল বিত দুখন খেলৰ পৰা ৪ পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ ভাৰতে পুল বিৰ শীৰ্ষ চাৰিটা দলৰ ভিতৰত থাকিব লাগিব। পুল বিত সম্প্ৰতি বেলজিয়াম শীৰ্ষত থকাৰ বিপৰীতে অষ্ট্ৰেলিয়া দ্বিতীয় আৰু আৰ্জেণ্টিনা চতুৰ্থ স্থানত আছে। ইফালে, বেডমিণ্টনত ভাৰতৰ তাৰকা খেলুৱৈ লক্ষ্য সেনে পুৰুষৰ ছিংগলছৰ গ্ৰুপ এলৰ এখন খেলত কালি বেলজিয়ামৰ জুলিয়েন কাৰাগ্নীক পৰাস্ত কৰি প্ৰথম জয় সাব্যস্ত কৰে। ৪৩ মিনিটজোৰা খেলখনত ভাৰতীয় খেলুৱৈগৰাকীয়ে ২১-১৯, ২১-১৪ গেমত বিজয় নিশ্চিত কৰে। খেলুৱৈগৰাকী আজি গ্ৰুপৰ অন্তিমখন খেলত এছীয় চেম্পিয়ন জোনাটান ক্ৰীষ্টিৰ মুখামুখি হ'ব। বেডমিণ্টনৰ পুৰুষৰ ডাবলছত ভাৰতৰ ছাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটো কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। ইয়াৰ সুবাদত যুটীটো অলিম্পিকৰ ইতিহাসত বেডমিণ্টনৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰা ভাৰতৰ প্ৰথমটো দল হিচাপে পৰিগণিত হৈছে। অৱশ্যে আৰ্চাৰীত ধীৰাজ বোম্মাদেৰৱা, তৰুণদ্বীপ ৰায় আৰু প্ৰবীণ জাধৱক লৈ গঠিত ভাৰতীয় পুৰুষৰ দলটো কালি কোৱাৰ্টাৰ ফাইনেলত তুৰস্কৰ বিৰুদ্ধে ৬-২ ফলাফলত পৰাজিত হয়।

০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত বিভিন্ন বাতৰিয়ে প্ৰথম পৃষ্ঠাত স্থান অধিকাৰ কৰিছে। পহিলা আগষ্টৰ পৰা চৰকাৰী হাস্পাতালত ২০ শতাংশ মাচুল বৃদ্ধি হোৱাৰ লগতে এক্স-ৰে, চিটিস্কেন, এম আৰ আই পৰীক্ষাৰ নিৰীখ বৃদ্ধি

হোৱাৰ সম্ভাৱনা আছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি অসমীয়া প্ৰতিদিন কাকতৰ শিৰোনাম **২০ শতাংশলৈ বাঢ়িব চৰকাৰী চিকিৎসাৰ মাচুল**।

সংসদৰ বাজেট অধিৱেশনৰ ষষ্ঠ দিনা ৰাহুল গান্ধীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু বিজেপি দলক তীক্ষ্ণ সমালোচনা কৰে। **পদুমৰ ৰূপত একবিংশ শতিকাৰ নতুন চক্ৰবেহু** শিৰোনামেৰে দৈনিক অসম কাকতে এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

এতিয়াৰে পৰা চৰকাৰী বৈঠকত মাছ-মাংস পৰিৱেশন কৰিব নোৱাৰিব। কেৱল ৰাজ্যিক অতিথিকহে আমিষ আহাৰ দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। এই বাতৰিটো আমাৰ অসম কাকতে **নিৰামিষ কৰাৰ নিৰ্দেশ চৰকাৰী বৈঠক** শিৰোনামেৰে প্ৰকাশ কৰিছে।

**অৰুণোদয় আঁচনিত বৃহৎ কেলেংকাৰী** শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰা বাতৰিটোত অৰুণোদয় আঁচনিৰ সাত শতাংশ হিতাধিকাৰীৰ ধন দালালে আত্মসাত কৰাৰ বিষয়ে সবিশেষ প্ৰকাশ কৰিছে।

**অহা ৩১ ডিচেম্বৰৰ ভিতৰত ৰাজ্যত হ'ব পঞ্চায়ত নিৰ্বাচন** শিৰোনামেৰে জিলা আয়ুক্তসকলৰ সৈতে লোকসেৱা ভৱনত মুখ্যমন্ত্ৰীৰ বৈঠকৰ বাতৰিটো দৈনিক জনমভূমি কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসম আৰক্ষীৰ পোছাকত নতুনত্ব অনাৰ পৰিকল্পনা কৰা হৈছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি নিয়মীয়া বাৰ্তা কাকতৰ শিৰোনাম **খাকী আতৰিব, বিষয়া জোৱানৰ ইউনিফৰ্ম হ'ব কেম'ফ্লেজ**।

**সীমান্তত পুনৰ কাৰ্গিল যুদ্ধৰ উকমুকনি, কাশ্মীৰত সোমাল পাকিস্তানৰ ৬০০ কমাণ্ডো** শিৰোনামেৰে অসমীয়া খবৰ কাকতে জম্মু-কাশ্মীৰত পাকিস্তানৰ গোপন ৰণচালিৰ বাতৰিটোক সবিস্তাৰে প্ৰকাশ কৰিছে।

নিযুক্তি কেলেংকাৰীত জড়িত ৰাকেশ পালসহ অন্যান্য অভিযুক্তৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে Rakesh Paul gets 14 years jail term in APSC cash-for-job scam শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্যত ভি আই পি সংস্কৃতি নচলিব বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ আঁত ধৰি দ্যা চেণ্টিনেল কাকতে Do Not encourage VIP culture, CM tells DCs শিৰোনামেৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ভুবনেশ্বৰ লণ্ডনলৈ মাজুলীৰ জৰা-কাজি নেমুৰ ৰপ্তানি, অযোধ্যাৰ ৰাম মন্দিৰৰ চিত্ৰৰে নিৰ্মাণ ৩৪ লাখ টকীয়া হাতঘড়ী, ৰাজভৱনত শপত ল'লে  তিনিজন নতুন উপাচাৰ্যই, ঐতিহাসিক মুহূৰ্তৰ দুৱাৰদলিত অলিম্পিয়ান মনু ভাকেৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

সমাপ্ত